**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-01-2026
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। নলবাৰীৰ বৰক্ষেত্ৰী সমষ্টিৰ ৩০ হাজাৰ ৮০৬ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ।

২। ৭৭ সংখ্যক গণৰাজ্য দিৱসলৈ মাজত এদিন থকা অৱস্থাত দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যৰ আটাইকেইখন জিলাত ব্যাপক প্ৰস্তুতি।

৩। প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ ৪ হাজাৰ ৫০০টা শিক্ষক পদত নিযুক্তিৰ বাবে প্ৰাৰ্থীসকলৰ পৰীক্ষণ তালিকা পৰহিলৈ প্ৰকাশ।

৪। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ ন্যায় বিচাৰি পত্নী গৰিমা শইকীয়া গাৰ্গৰ প্ৰধানমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ।

**আৰু**

৫। গুৱাহাটীৰ বৰ্ষাপাৰাত কাইলৈ ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নলবাৰীৰ বৰক্ষেত্ৰী সমষ্টিৰ ৩০ হাজাৰ ৮০৬ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। নপ্তিপাৰাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, জিলা আয়ুক্ত নিবেদন দাসকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। জিলাখনত ইতিমধ্যে নলবাৰী আৰু টিহু বিধানসভা সমষ্টিৰ মহিলাসকলৰ মাজত চেক বিতৰণ কৰা হৈছে। অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে সমাগত বিধানসভা নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে ১০৬ খন আসন লাভ কৰিব বুলি মন্তব্য কৰে। তেওঁ লগতে অগপ আৰু বিজেপিৰ মিত্ৰতা প্ৰায় চূড়ান্ত আৰু আসনৰ সংখ্যাও প্ৰায় পূৰ্বৰ দৰেই থাকিব বুলি প্ৰকাশ কৰে।

**বাইট (চি এম)**

০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱসলৈ মাজত এদিন থকা অৱস্থাত দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যৰ আটাইকেইখন জিলাতে ব্যাপক প্ৰস্তুতি চলিছে। জিলা সদৰ সমূহত কুছকাৱাজৰ অনুশীলন কৰি থকা হৈছে। গুৱাহাটীৰ খানাপাৰত থকা অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচী উদযাপন কৰা হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা ৯ বজাত গণৰাজ্য দিৱসৰ পতাকা উৰুৱাব। ইতিমধ্যে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত ২৪টা দলে কুছকাৱাজৰ অনুশীলন অব্যাহত ৰাখিছে।

এইবেলি মিজোৰাম আৰক্ষীৰ এটা দলেও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। ডিব্ৰুগড় জিলাতো গণৰাজ্য দিৱসৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে। জিলাখনৰ খনিকৰ খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পতাকা উৰুৱাব। ইয়াৰ বাবে দিনে-নিশাই প্ৰস্তুতি চলাই থকা হৈছে। ডিব্ৰুগড় মহানগৰত গণৰাজ্য দিৱস উপলক্ষে আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। সমাগত গণৰাজ্য দিৱসৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয় ২৬ জানুৱাৰীলৈকে খোলা ৰাখিবলৈ জিলা আয়ুক্তই এখন জাননী জাৰি কৰিছে। বৰপেটা জিলাতো গণৰাজ্য দিৱস উদযাপনৰ বাবে প্ৰস্তুতি অব্যাহত আছে। বৰপেটা পৌৰসভা খেলপথাৰত জিলা ভিত্তিক কাৰ্যসূচী অনুষ্ঠিত হব। আজি কুচকাৱাজৰ পূৰ্ণ পৰ্যায়ৰ অনুশীলন কৰা হয়। জিলা আৰক্ষীৰ লগতে বিভিন্ন শিক্ষানুষ্ঠানৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু স্কাউট এণ্ড গাইডে এই অনুশীলন চলায়। দক্ষিণ শালমাৰা মানকাচৰ জিলাতো আজি গণৰাজ্য দিৱসৰ কুটকাৱাজৰ অনুশীলনৰ সামৰণি পৰিছে। জিলাখনৰ হাটশিঙিমাৰি মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে গণৰাজ্য দিৱস উদ্‌যাপন কৰা হ'ব। দিৱসৰ কুছকাৱাজত অসম আৰক্ষী, গৃহৰক্ষী বাহিনী, এন চিচি কে ধৰি মুঠ ১৩ টা দলে অংশগ্ৰহণ কৰিব।

গোৱালপাৰা জিলা প্ৰশাসনে জে টি এছ খেলপথাৰত কেন্দ্ৰীয়ভাৱে গণৰাজ্য দিৱস পালন কৰিব। আজি জিলা আয়ুক্ত প্ৰদীপ টিমুং আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তই কুছকাৱাজৰ অনুশীলন পৰিদৰ্শন কৰে। এইবাৰ ২৭ টা দলে কুছকাৱাজত অংশ লব। এই সন্দৰ্ভত জিলাখনৰ আয়ুক্তই আমাৰ সংবাদদাতাৰ আগত এইদৰে কয়ঃ

**বাইট ঃ**

এইবাৰ নতুন দিল্লীত হবলগীয়া গণৰাজ্য দিৱসৰ পেৰেডত অসমৰ পোৰামাটি শিল্পৰ প্ৰতীক‌পট প্ৰদৰ্শন কৰা হ'ব। ধুবুৰীৰ আশাৰিকান্দিৰ ভৌগোলিক সূচ্যাংকৰ পৰিচিতি লাভ কৰা এই শিল্প এইবাৰৰ পেৰেডত দেশবাসীৰ সন্মুখত উজ্বলি উঠিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গণৰাজ্য দিৱসৰ প্ৰাকসন্ধ্যা কাইলৈ দেশবাসীক উদ্দেশ্যি ভাষণ দিব। সন্ধিয়া ৭ বজাৰ পৰা এই ভাষণ আকাশবাণীৰ সকলো নেটৱৰ্ক আৰু দূৰদৰ্শনৰ সকলো চেনেলে সম্প্ৰচাৰ কৰিব। হিন্দী আৰু ইংৰাজীত এই ভাষণ প্ৰচাৰৰ পাছতে আঞ্চলিক ভাষাতো এই ভাষণ প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে নিশা চাৰে ন বজাত এই ভাষণৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

ধেমাজি জিলাৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান ধেমাজি মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ সামৰণি অনুষ্ঠান আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত হৈছে। শিক্ষামন্ত্ৰী তথা উদযাপন সমিতিৰ সভাপতি ডাo ৰণোজ পেগুৱে আজি পুৱা পতাকা উত্তোলনেৰে হীৰক জয়ন্তীৰ বৰ্ণাঢ্য কাৰ্যসূচী মুকলি কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত ধেমাজি মহাবিদ্যালয়ক অতি শীঘ্ৰে বিশ্ববিদ্যালয়লৈ উন্নীত কৰা হ'ব বুলি মন্তব্য কৰে। তেওঁ লগতে ১৯৬৫ চনত স্থাপন হোৱা এই মহাবিদ্যালয়খনৰ সুদীৰ্ঘ যাত্ৰাত সেৱা আগবঢ়োৱা সকলো শিক্ষক-শিক্ষয়িত্ৰীৰ অৱদানক শ্ৰদ্ধাৰে স্মৰণ কৰে।

হীৰক জয়ন্তী উপলক্ষে মহাবিদ্যালয়ৰ বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী তথা স্থানীয় ৰাইজৰ সহযোগত এটা বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাত বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ লগতে অসমৰ সমাজ জীৱনৰ বিভিন্ন দিশ প্ৰদৰ্শন কৰা হয়।

০০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা বিভাগৰ অধীনৰ প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ ৪ হাজাৰ ৫০০টা শিক্ষক পদত নিযুক্তিৰ বাবে প্ৰাৰ্থীসকলৰ পৰীক্ষণ তালিকা পৰহিলৈ প্ৰকাশ পাব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে আজি এই কথা ঘোষণা কৰিছে। তেওঁ লগতে প্ৰাৰ্থীসকলৰ নথি পৰীক্ষণ প্ৰক্ৰিয়া ২৮ জানুৱাৰীত আৰম্ভ হ'ব বুলি জানিবলৈ দিছে। ইয়াৰ বাবে প্ৰাৰ্থীসকলক প্ৰয়োজনীয় নথি-পত্ৰসমূহ সাজু কৰি ৰাখিবলৈ শিক্ষামন্ত্ৰীগৰাকীয়ে আহ্বান জনাইছে।

০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ ন্যায় বিচাৰি পত্নী গৰিমা শইকীয়া গাৰ্গে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে। সাংবাদিকৰ আগত আজি এই কথা প্ৰকাশ কৰি শ্ৰীমতী গাৰ্গে কয়, যে এই স্মাৰক পত্ৰৰ জৰিয়তে গোচৰৰ খৰতকীয়া নিষ্পত্তিৰ বাবে বিশেষ আদালত স্থাপন, ৰাজ্য চৰকাৰে ইতিমধ্যে নিযুক্তি দিয়া বিশেষ লোক অধিবক্তাৰ দলৰ সৈতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ জ্যেষ্ঠ আৰু অভিজ্ঞ লোক অধিবক্তাৰ নিযুক্তিৰ উপৰি শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ছিংগাপুৰৰ সৈতে সঠিক কূটনৈতিক ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীক আহ্বান জনোৱা হৈছে।

০০০০০

দিঘলীপুখুৰীৰ পৰা নুনমাটীলৈ নিৰ্মীয়মান উৰণ সেতুখন চানমাৰী উৰণ সেতুৰ সৈতে সংযোগ কৰণৰ কাম চলি থকাৰ পৰিপ্ৰেক্ষিতত উৰণ সেতুখনেৰে পৰৱৰ্তী ১৫ দিনলৈ যান-বাহনৰ চলাচল কিছু নিয়ন্ত্ৰণ কৰা হ'ব। মহানগৰ যান-বাহন আৰক্ষীয়ে আজি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। সেই অনুসৰি আজি নিশাৰে পৰা পৰৱৰ্তী ১৫ দিনলৈ উৰণ সেতুখনৰ এটা পথেৰে যান-বাহনৰ চলাচল বন্ধ কৰি দিয়া হ'ব। এই যান-বাহনসমূহে ৰাজগড়-ভঙাগড় পথেৰে যাত্ৰা কৰিব লাগিব বুলি গুৱাহাটী মহানগৰ যান-বাহন শাখাৰ উপ আৰক্ষী আয়ুক্ত জয়ন্ত সাৰথি বৰাই প্ৰকাশ কৰে।

**ৰাইট**

০০০০০

সমগ্ৰ দেশতে আজি ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস উপযাপন কৰা হৈছে। এই দিৱসত কন্যা সন্তানৰ অধিকাৰ, শিক্ষা, স্বাস্থ্য, পুষ্টিকৰণ আৰু কল্যাণত গুৰুত্ব দিয়া হয়। প্ৰতি বছৰে ২৪ জানুৱাৰীত উদযাপন কৰা এই দিৱসত লিংগ বৈষম্যৰ বিৰোধিতা, সম-সুবিধা প্ৰদান আৰু সবল নাগৰিক হিচাপে সমাজত কন্যাসকলে মূৰ তুলি থাকিব পৰা পৰিৱেশৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ চেষ্টা কৰা হয়। ৰাষ্ট্ৰীয় কন্যাশিশু দিৱসৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰথমবাৰৰ বাবে ক্ষমতাত অহাৰ পিছৰ বছৰটোত, ২০১৫ চনৰ ২২ জানুৱাৰীত **বেটী বচাও বেটী পঢ়াও** আঁচনিৰ শুভাৰম্ভ কৰিছিল।

ৰাজ্যৰ বিভিন্ন জিলাতো আজি ৰাষ্ট্ৰীয় কন্যাশিশু দিৱস উদযাপন কৰা হয়। মহিলা আৰু শিশু বিকাশ বিভাগ আৰু মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত জেংৰাইমুখ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস উদযাপন কৰা হয়। জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধান্দিয়া, সহকাৰী আয়ুক্ত অনুৰাগ বৰবৰুৱা, সমাজ কল্যান বিষয়া উত্তম অধিকাৰীকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰি কন্যা শিশুৰ অধিকাৰ

আৰু সুৰক্ষা সন্দৰ্ভত আলোচনা কৰে। কাচাৰ জিলাতো শিলচৰৰ মহিলা মহাবিদ্যালয় প্ৰেক্ষাগৃহত কন্যা শিশুৰ অধিকাৰ, স্বাস্থ্য আৰু সামগ্ৰিক সৱলীকৰণ সন্দৰ্ভত কেইবাটাও সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়।

কামৰূপ জিলাৰ আমিনগাওঁ বেংগলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এই দিৱস উদযাপন কৰা হৈছে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি পুৰা সজাগতমূলক শোভাযাত্ৰা উলিওৱা হয়। ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জিলা স্বাস্থ্য বিভাগে চিত্ৰাঙ্কন প্ৰতিযোগিতাৰ আয়োজন কৰে।

দৰং কৰ্কট কেন্দ্ৰৰ উদ্যোগত জিলাখনৰ খাৰুপেটিয়াৰ বৰঙাবাৰীত ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস পালন কৰা হয়। এই অনুষ্ঠানত দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক ডাঃ ছহিদুল ইছলামে কন্যা শিশু দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। তেওঁ লগতে ৰাজ্য চৰকাৰে কন্যা সন্তানৰ সুস্বাস্থ্য নিশ্চিত কৰাৰ বাবে প্ৰদান কৰি অহা প্ৰতিষেধকসমূহ গ্ৰহণ কৰিবলৈ ছাত্ৰীসকলক আহ্বান জনায়।

হোজাই জিলাৰ ৰবিন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা সভাকক্ষত এটা কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতী, বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ লগতে কেইবাখনো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

00000

জাগীৰোডৰ জোনবিলৰ পাৰত অনুষ্ঠিত ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলাৰ আজি সামৰণি পৰে। আজি গোভা ৰজাই জোনবিল মেলাথলীত ৰাজদৰবাৰ বহুৱাই প্ৰজাসকলৰ পৰা প্ৰতীকি ৰূপত কৰ-কাটল সংগ্ৰহ কৰাৰ পাছতে জোনবিল মেলাৰ সামৰণি পৰে। আজি অন্তিম দিনা তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন অনুষ্ঠিত হয়। বিশিষ্ট কবি হৰেন্দ্ৰ বৰাই এই কবি সন্মিলন উদ্বোধন কৰে।

উল্লেখযোগ্য যে তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত জোনবিল মেলাত পূৰ্বৰ দৰে এইবাৰো ঐতিহাসিক বিনিময় প্ৰথাৰ হাটত পাহাৰৰ মামা-মামীসকলে থলুৱাভাৱে উৎপাদিত সামগ্ৰী ভৈয়ামৰ লোকসকলৰ সামগ্ৰীৰ সৈতে বিনিময় কৰে। এই মেলাৰ সৈতে সংগতি ৰাখি তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হয়। কালি মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰা হয়।

00000

চুবুৰীয়া ৰাষ্ট্ৰ ভূটান সীমান্তৰ বাক্সা জিলাৰ সুবণখাটাত ৯দিনীয়া কাৰ্যসূচীৰে আয়োজিত ১৪ সংখ্যক ভাৰত-ভূটান মৈত্ৰী মেলাৰ আজি সামৰণি পৰিব। ইয়াৰ লগতে মাঘৰ দোমাহীৰ পৰা আৰম্ভ হোৱা মাঘ মেলাৰো অন্ত পৰিব। আজি সন্ধিয়া আয়োজিত সাংস্কৃতিক অনুষ্ঠানৰ পাছতে ভাৰত-ভূটান মৈত্ৰী মেলাৰ সামৰণি পৰিব বুলি আমাৰ সংবাদদাতাই জনাইছে। ৰাজ্যৰ বিভিন্ন জাতি-জনজাতিৰ লগতে ভূটানৰ বিভিন্ন জনগোষ্ঠীৰ বাৰে-ৰহণীয়া সাংস্কৃতিক বৈচিত্ৰক এই মেলাত প্ৰদৰ্শন কৰা হয়। বড়ো, ৰাভা, গোৰ্খা, চাওতালি, কোচ ৰাজবংশীৰ লগতে ভূটানৰ লোকসকলে পৰম্পৰাগত লোকনৃত্য-গীত-মাতেৰে মেলাৰ আটাইকেইটা দিন মুখৰিত হৈ পৰে। এই মেলাত ভূটানত জৈৱিকভাৱে উৎপাদিত খাদ্য সামগ্ৰীৰ বিপনীত ভালেমান লোকে ভিৰ কৰা পৰিলক্ষিত হয়। এইবাৰৰ মেলাত ভূটানৰ খাদ্য সামগ্ৰীৰ জুতি লবৰ বাবে মেলা থলীলৈ যোৱা লোকসকলক আকৰ্ষিত কৰা পৰিলক্ষিত হয়। এই বন্ধুত্ব মেলাৰ জৰিয়তে ভাৰত-ভূটানৰ মাজৰ বন্ধুত্বৰ এনাজৰী অধিক সুদৃঢ় কৰাৰ লগতে দেশ দুখনৰ মাজত বাণিজ্যিক দিশৰ উত্তৰণ ঘটিব বুলি আশা কৰা হৈছে।

০০০০০

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত যোৱা বৃহস্পতিবাৰৰ পৰা অনুষ্ঠিত গুৱাহাটী এছিয়ান চলচ্চিত্ৰ মহোৎসৱ ২০২৬ৰ দ্বিতীয় সংস্কৰণত আজি কেইবাখনো দেশী-বিদেশী ছবি প্ৰদৰ্শন কৰা হয়। জ্যোতি চিত্ৰবনৰ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত আজি অসমীয়া ভাষাৰ ছবি **কক কক ককক**, দক্ষিণ কোৰিয়াৰ ছবি **এ পয়েট অৱ দা ৰিভাৰ** আৰু মংগোলীয়ান **ইফ অন্‌লি আই কোড হাইবাৰনেট** ছবি প্ৰদৰ্শিত হয়। একেদৰে বিষ্ণুৰাভা প্ৰেক্ষাগৃহত তুলু ভাষাৰ ছবি **ইম্বু**, বাংলা ছবি **পৰবাসী**, হংকঙৰ ছবি **লেট্‌ছ হেভ এ কাফ অফ দুধ পট্টি চায়** ছবিকেইখন প্ৰদৰ্শিত হয়। মহোৎসৱৰ সৈতে সংগতি ৰাখি চলচ্চিত্ৰ সম্পৰ্কীয় কেইবাখনো কৰ্মশালাও অনুষ্ঠিত হয়।

০০০০০

ৰাষ্ট্ৰপতি ভৱন চৌহদত কালি সন্ধিয়া মুকলি কৰা গ্ৰন্থ কুটীৰত অসমৰ কেইবাখনো সাচিপতীয়া পুথিয়ে স্থান লাভ কৰিছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উদ্যোগত ৰাজ্যৰ বিভিন্ন সত্ৰানুষ্ঠান তথা বিজ্ঞ ব্যক্তিৰ পৰা সংগৃহীত ৫ খন প্ৰাচীন সাচিপতীয়া পুথিকে ধৰি মুঠ ৮ খন এনে পুথিয়ে কুটীৰত স্থান লাভ কৰিছে। উল্লেখযোগ্য যে কালি সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মুকলি কৰা গ্ৰন্থ কুটীৰত অসমীয়াকে ধৰি দেশৰ মুঠ ১১ টা ধ্ৰুপদী ভাষাৰ প্ৰাচীন পুথি, পাণ্ডুলিপি আৰু অন্যান্য সাহিত্য সম্ভাৰক সংৰক্ষণ কৰাৰ ব্যৱস্থা লোৱা হৈছে। অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰে ৰাষ্ট্ৰপতি গৰাকীক অসমৰ সাঁচিপতীয়া পুথিৰ ঐতিহ্যৰ সন্দৰ্ভত অৱগত কৰে। এই অনুষ্ঠানত নগাওঁৰ কুজিসত্ৰৰ সত্ৰাধিকাৰ নিত্যানন্দ দেৱগোস্বামী, লখিমপুৰৰ বিষ্ণু চন্দ্ৰ গোস্বামী, নীলকমল গোস্বামী, আৰু মৃদু মৌচম বৰাকে ধৰি সাঁচিপতীয়া পুথিসমূহৰ কেইবাগৰাকীও দাতাই অংশ লয়। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰামৰ্শমৰ্মে সাচিপতীয়া পুথি সংগ্ৰহৰ ক্ষেত্ৰত কলাক্ষেত্ৰ সমাজে বিশেষ পদক্ষেপ লৈছে। এই অনুসৰি ৰাজ্যৰ ভিন ভিন স্থানৰ পৰা সংগ্ৰহ কৰা কীৰ্তন ঘোষা, নাম ঘোষা, ভক্তি ৰত্নাৱলী, দশম, গীত গোবিন্দকে ধৰি সাঁচিপতীয়া পুথিসমূহ ৰাষ্ট্ৰপতি ভৱনক অৰ্পন কৰা হৈছে। ৰাষ্ট্ৰপতি ভৱনত থকা এই গ্ৰন্থ কুটীৰ প্ৰকল্পৰ দায়িত্ব অসমৰ পংকজ প্ৰতীম বৰদলৈয়ে লাভ কৰিছে।

০০০০০

আন্তৰ্জাতিক খ্যাতিসম্পন্ন সংগীত পৰিচালকদ্বয় জিতু-তপনক আজি আন্তৰিক আধাৰ সাধনা সন্মান ২০২৫ প্ৰদান কৰা হয়। এই উপলক্ষে আজি আবেলি গুৱাহাটীৰ দিশপুৰ ৰ পি. ডব্লিও. ডি. কনভেনশ্যন হলত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত জিতু-তপন যুটীৰ সংগীত পৰিচালক জিতু শৰ্মাই এই বঁটা গ্ৰহণ কৰে। শাৰীৰিক অসুস্থতাৰ বাবে তপন ভট্টাচাৰ্য্য আজিৰ অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰিলে। এই বঁটাত আছে নগদ ৫০ হাজাৰ টকা , চেলেং চাদৰ , স্মাৰক আৰু একোটাকৈ নেমু গছৰ পুলি। বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট হাস্য-ব্যংগ লেখক তথা চিকিৎসক ডা ° অঞ্জনজ্যোতি চৌধুৰী, আবৃত্তিকাৰ অৰনী বৰা আৰু আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত

আছিল।আধাৰ সাধনা সংস্থাৰ সভাপতিদিপাঞ্জলী দাস পাঠকে আদৰণি ভাষণ দিয়া অনুষ্ঠানটোৰ আঁত ধৰে আৰ জে সুজিতাই।

০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাক্ কালত আকাশবাণী গুৱাহাটীৰ 'দৃষ্টিপাত' অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত 'মোৰ বাবে গণতন্ত্ৰৰ অৰ্থ' শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অংশগ্ৰহণ কৰিব জ্যেষ্ঠ নাগৰিকৰ প্ৰতিনিধি ড০ সূৰ্য দাস, মহিলা সমাজৰ প্ৰতিনিধি মিনাক্ষী কাকতি আৰু ছাত্ৰ সমাজৰ প্ৰতিনিধি অৰুণাভ হাজৰিকাই। অনুষ্ঠানৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল কাইলৈ গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। দুয়োটা দলৰ খেলুৱৈসকল ইতিমধ্যে গুৱাহাটীত উপস্থিত হৈছে। ভাৰতে সম্প্ৰতি এই শৃংখলাত ২-০ৰ অগ্ৰগতি লাভ কৰিছে।

কাইলৈ হ'বলগীয়া খেলখনৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীৰ যান-বাহন শাখাৰ উপ-আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি দিনৰ ২ বজাৰ পৰা মাজনিশা ১২ বজালৈ বি কে কাকতি পথ, এ কে আজাদ পথ, এ কে দেৱ পথ, কুল বসুমতাৰী পথ, ড০ ভূপেন হাজৰিকা পথ, মৰা ভৰলু পথ, ৰাজীৱ গান্ধী পথ, এফ এ, ধপলীয়া, বিষ্ণুপুৰ, আৰ কে চি, বিৰুবাৰী-জি এম চি আৰু দক্ষিণগাঁও তিনিআলিৰ পৰা লালগণেশলৈ পণ্ডিত দীনদয়াল উপাধ্যায় পথত সকলো ধৰণৰ বাণিজ্যিক আৰু গধূৰ যান-বাহনৰ চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০০

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত আজি অনুষ্ঠিত গ্ৰুপ-বিৰ তিনিওখন খেলে অমীংমাসিত হৈ ৰয়। চিলাপথাৰত আজি পুৱা কেৰালা আৰু ৰে'লৱেৰ মাজত অনুষ্ঠিত প্ৰথমখন খেলত দুয়োটা দলে ১-১ গ'লত সমতা স্থাপন কৰে। ইয়াৰ পাছত ছাৰ্ভিচেছ আৰু ওড়িশাৰ মাজৰ খেলখন গ'ল শূন্যভাৱে ড্ৰ' হয়। ঢকুৱাখনাত অনুষ্ঠিত পাঞ্জাব আৰু মেঘালয়ৰ মাজৰ ৰোমাঞ্চকৰ খেলখন ৩-৩ গ'লত ড্ৰ' হয়। আটাইকেইটা দলে ১ পইণ্টকৈ লাভ কৰে।

০০০০০

নগাঁৱৰ খুটিকটিয়া নিৱাসী সৰবৰহী সামাজিক ব্যক্তি নিৰ্মল চন্দ্ৰ বৰাৰ আজি পুৱা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৬ বছৰ।

০০০০০

ঃঃ সমাপ্ত ঃঃ